জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৪৭/২০২০

## মুখ্যমন্ত্ৰীয়ে কিক অফ কৰি শুভাৰম্ভ কৰিলে ইউনাইটেড ব্ৰাডাৰ্ছ ক্লাৱৰ দ্বাৰা আয়োজিত ষষ্ঠ সৰ্বভাৰতীয় প্ৰবীণ আন্তৰ্জাতিক ফুটবল চেম্পিয়নশ্বিপৰ ফাইনেল খেল

**দিছপুৰ, ২ ফেব্ৰুৱাৰী ঃ** আজি ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণৰ আঞ্চলিক কেন্দ্ৰৰ খেলপথাৰত ইউনাইটেড ব্ৰাডাৰ্ছ ক্লাৱৰ দ্বাৰা আয়োজিত ষষ্ঠ সৰ্বভাৰতীয় প্ৰবীণ আন্তৰ্জাতিক ফুটবল চেম্পিয়নশ্বিপৰ ফাইনেল খেলখন কিক অফ কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে শুভাৰম্ভ কৰে। আজিৰ ফাইনেল খেলখনত নেপালৰ চি এম জি কাঠমাণ্ডু আৰু ফ্ৰেণ্ডছ স্পৰ্টিং ইউনাইটেড শ্বিলঙৰ মাজত অনুষ্ঠিত হয়। খেল শুভাৰম্ভ হোৱাৰ পূৰ্বে দুয়োদলৰ খেলুৱৈ, ক্ৰীড়া প্ৰেমী লোকক উদ্দেশ্যি দিয়া ভাষণত মুখ্যমন্ত্ৰীয়ে কয় যে এই প্ৰতিযোগিতাই খেলৰ জৰিয়তে বিশ্বৰ বুকুত অসমক প্ৰতিষ্ঠা কৰাৰ যাত্ৰাত ইন্ধন যোগাব। মুখ্যমন্ত্ৰীয়ে কয় যে এই প্ৰতিযোগিতাই ৰাজ্যৰ ক্ৰীড়াৰ বাতাবৰণ অধিক শক্তিশালী কৰি তুলিব আৰু নতুন প্ৰজন্মক উৎসাহিত কৰিব। যোৱা ৬ বছৰ ধৰি নিৰবিচ্ছিন্ন ভাবে এই প্ৰতিযোগিতা অনুষ্ঠিত কৰি অহাৰ বাবে ইউনাইটেড ব্ৰাডাৰ্ছ ক্লাৱক ধন্যবাদ জ্ঞাপন কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই প্ৰতিযোগিতাখনত বহু ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ খেলুৱৈয়ে অংশ গ্ৰহণ কৰিছে। বাইচুং ভুটীয়াৰ দৰে খেলুৱৈৰ অংশ গ্ৰহণে আমাৰ নতুন প্ৰজন্মক অধিক উৎসাহিত কৰি তুলিছে। খেলে স্বাস্থ্য আৰু মানসিক দিশ শক্তিশালী কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ফিট ইণ্ডিয়া মুভমেন্টৰ জৰিয়তে মানুহক শাৰিৰীক আৰু মানসিক ভাৱে শক্তিশালী কৰিব বিচাৰিছে। ইয়ে দেশখনক শক্তিশালী কৰাৰ ক্ষেত্ৰত ইতিবাচক পৰিৱেশ ৰচনা কৰিছে। গুৱাহাটীত ক্ৰীড়াৰ ৰাজধানী হিচাপে গঢ়ি তোলাৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰি আহিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰতিখন খেলে এই ক্ষেত্ৰত ইতিবাচক পৰিৱেশ ৰচনা কৰে।

আজিৰ এই অনুষ্ঠানত পৰিৱেশ আৰু বন মন্ত্ৰী পৰিমল শুক্লবৈদ্য, সাংসদ পল্লৱ লোচন দাস, বিধায়ক ঋতুপৰ্ণ বৰুৱা, মুখ্য সচিব কুমাৰ সঞ্জয় কৃষ্ণ, ৰাজ্যিক পৰ্যায়ৰ ছাত্ৰ আৰু যুৱ কল্যাণ উপদেষ্টা সমিতিৰ সদস্য সচিব তথা অসম অলিম্পিক সন্থাৰ সম্পাদক লক্ষ্য কোঁৱৰ, প্ৰমুখ্যে ক্ৰীড়ানুৰাগী ব্যক্তিসকল উপস্থিত আছিল।

**পুঃডেঃ**
২/০২/২০২০

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in